**X/23/As**

**2023**

**ASSAMESE**

( INDIAN LANGUAGE )

**( FOR CANDIDATES WITH INTERNAL ASSESSMENT )**

*Full Marks* : 80

*Pass Marks* : 24

**( FOR CANDIDATES WITHOUT INTERNAL ASSESSMENT )**

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

**( FOR ALL CATEGORIES OF CANDIDATES )**

*General Instructions* :

(i) The Candidates are advised to attempt all questions accordingly.

(ii) Marks allocated to every question are indicated against each.

(iii) Question Nos. **1** to **15** are to be answered by all Candidates.

(iv) Question Nos. **16** to **20** are to be answered only by the **Candidates without Internal Assessment**.

## ( গদ্য ভাগ )

১। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ **এটা** শব্দ বা বাক্যৰে দিয়া (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' প্ৰণেতা হিচাপে পৰিচিত সাহিত্যিকগৰাকী কোন?

(খ) 'ফ্ৰম ভলগা টু গংগা' কাৰ ৰচনা?

(গ) সুকুমাৰ কলাৰ ভিতৰত কোনটো শিল্পক বেছি স্থায়ী বোলা হৈছে?

(ঘ) ভাৰতবৰ্ষ কিমান চনত স্বাধীন হৈছিল?

(ঙ) ড° কুলেন্দু পাঠকে কোনখন বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল?

(চ) কিমান চনৰ পৰা কিমান চনলৈ অসমৰ বিদ্যালয়ত বঙালী ভাষা চলিছিল?

২। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) শিক্ষাৰ্থী অৰ্থাৎ ছাত্ৰৰ _____ সঁচাকৈয়ে উন্নতিৰ ঘাই মন্ত্ৰ।

(খ) ভাৰতীয় সংস্কৃতি এক বিৰাট _____ বস্তু।

(গ) _____ বেদত দেৱী পূজাৰ কোনো উল্লেখ নাই।

(ঘ) সেইদৰে অসমৰ সংস্কৃতিও বাৰেবৰণীয়া আৰু _____ ।

(ঙ) বৃটিছ আহিল _____ সন্ধিৰ পাছত।

(চ) _____ খ্ৰীষ্টাব্দ বিজ্ঞান তথা মানৱ ইতিহাসৰ এটি উল্লেখযোগ্য বছৰ।

৩। শুদ্ধ নে অশুদ্ধ লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) উত্তৰ ভাৰতীয় ভাস্কৰ্যত কোণ আৰু সৰল ৰেখাৰ প্ৰাদুৰ্ভাৱ সৰহ।

(খ) ধ্যানস্থ শিৱৰ কল্পনা মহেঞ্জোদাৰোৰ সাংস্কৃতিক সম্পদ।

(গ) লণ্ডনৰ ৰয়েল ছ'চাইটিৰ সৈতে নিউটন জড়িত আছিল।

(ঘ) ১৭৮৭ চনৰ জুলাই মাহত 'প্ৰিনচিপিয়া' প্ৰকাশ হয়।

(ঙ) ছাত্ৰ অৱস্থাত কাৰ্যকৰী শিক্ষা গ্ৰহণ কৰিব নালাগে।

(চ) বিজ্ঞান পৰীক্ষাভিত্তিক নহ'লে অৰ্থহীন আৰু ত্ৰুটিপূৰ্ণ হয়।

৪। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) অজন্তাৰ গুহাৰ শিল্পকলাৰ এটি বিৱৰণ দিয়া। ৫

(খ) লেখক ডিম্বেশ্বৰ নেওগৰ মতে, ছাত্ৰ জীৱনৰ প্ৰকৃত উদ্দেশ্য কি কি? ছাত্ৰসকলে কাৰ্যকৰী শিক্ষা ক'ৰ পৰা, কিদৰে লাভ কৰিব পাৰে? ২+৩=৫

(গ) নিউটনৰ 'প্ৰিনচিপিয়া' গ্ৰন্থই বৌদ্ধিক মহলত কেনেদৰে খলকনি তুলিছিল আলোচনা কৰা। ৫

(ঘ) 'বিশেষ এটা ঔদ্যোগিক আবেষ্টনীৰ মাজত বসবাস কৰিবলৈ লোৱা কাৰণেও থলুৱা সংস্কৃতিৰ পৰা আঁতৰিও পৰিল'—ইয়াত কি ঔদ্যোগিক আবেষ্টনীৰ কথা উল্লেখ কৰিছে আৰু কোনে, কিহৰ বাবে আঁতৰি পৰাৰ কথা কৈছে—পাঠৰ আলমত আলোচনা কৰা। ২+৩=৫

## ( পদ্য ভাগ )

৫। তলৰ প্ৰশ্নকেইটাৰ উত্তৰ **এটা** শব্দ বা বাক্যৰে লিখা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) 'নামঘোষা' কোনে ৰচনা কৰিছিল?

(খ) 'জিকিৰ'বোৰক কিহৰ লগত তুলনা কৰিব পাৰি?

(গ) পঁচিশ বছৰ আগতে কবিয়ে মানুহজনক লগ পোৱা আলি কেঁকুৰিটো কেনে আছিল?

(ঘ) তোমাৰ পাঠ্যপুথিত থকা 'বৰগীত' কবিতাটিৰ কবিয়ে 'বান্ধৱ' বুলি কাক সম্বোধন কৰিছে?

(ঙ) দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতা-পুথিৰ নাম কি?

(চ) কিমান চনত কবি হৰেকৃষ্ণ ডেকাই সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

৬। তলত দিয়া যি কোনো **এটা** কবিতাৰ মূলভাৱ চমুকৈ লিখা : ৫

(ক) জিকিৰ

(খ) বৰগীত

**অথবা**

'দৃশ্যান্তৰ' কবিতাটোৰ অন্তৰ্নিহিত ভাৱটো সৰল ভাষাৰে লিখা। ৫

৭। তলত দিয়া যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) ''বৰ শান্তিত আছো
এই পঁজাটিত''

—কোনে, কিয় এইদৰে কৈছিল? কথাষাৰৰ অন্তৰ্নিহিত ভাৱ মোকলাই লিখা।

(খ) 'মোৰ দেশ মানুহৰ দেশ' কবিতাটিত স্বদেশ প্ৰেমৰ ভাৱ কিদৰে প্ৰকাশ পাইছে, বহলাই লিখা।

(গ) তোমাৰ পাঠ্যপুথিত থকা 'বৰগীত' কবিতাটিৰ ৰচকৰ চমু পৰিচয় লিখি, বৰগীতৰ চাৰিটা বৈশিষ্ট্য লিখা।

## ( দ্ৰুত পাঠ )

৮। তলত দিয়া যি কোনো **পাঁচটা** শব্দৰ অৰ্থ লিখা : ১×৫=৫

বাগী; থোপা-থোপে; ধেনুভিৰীয়া; উধাই-মুধাই; আশংকা; তত্ত্বাৱধান; চোৰাংচোৰা; গজালি; আচ্ছন্ন।

৯। চমু টোকা লিখা (যি কোনো **দুটা**) : ২ $\frac{১}{২}$×২=৫

(ক) খনাজান

(খ) পাঠশালাৰ শিক্ষক

(গ) লেখকৰ প্ৰথম ফটোখন

(ঘ) পাংখাৱালা

১০। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) ভবেন্দ্ৰনাথ শইকীয়াই ভাৰত স্বাধীন হোৱা দিনটো কেনেকৈ উপভোগ কৰিছিল?

(খ) ভীম গাঁও নামৰ গাঁওখনৰ এটা বৰ্ণনা দিয়া।

(গ) যুদ্ধ আৰু স্বাধীনতা আন্দোলনৰ ধামখুমীয়াত লেখকৰ স্কুলীয়া জীৱন কেনে হৈ পৰিছিল?

## ( ব্যাকৰণ ভাগ )

১১। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫

(ক) সমাস কাক বোলে? বহুব্ৰীহি সমাস আৰু অব্যয়ীভাব সমাসৰ সূত্ৰ লিখি উদাহৰণ দিয়া।

(খ) স্ত্ৰী প্ৰত্যয় কাক বোলে? অসমীয়াত স্ত্ৰী প্ৰত্যয় কেইটা আৰু কি কি? উদাহৰণসহ সিহঁতৰ ব্যৱহাৰ উল্লেখ কৰা।

(গ) ণত্ব বিধি কি? উদাহৰণসহ ণত্ব বিধিৰ চাৰিটা বিধি লিখা।

১২। সন্ধি ভাঙা আৰু যোৰা লগোৱা (যি কোনো **পাঁচটা**) : ১×৫=৫

স্বাধীন; জীৱন + আলেখ্য; দেৱ + ইন্দ্ৰ; প্ৰশ্ন + উত্তৰ; প্ৰতি + ঈক্ষা; উমানন্দ; উৎ + চাৰণ; সংবাদ; আশীৰ্বাদ।

১৩। তোমাৰ বিদ্যালয়ত উদ্‌যাপিত স্বাধীনতা দিৱসৰ বৰ্ণনা দি বন্ধুলৈ এখন চিঠি লিখা। (তোমাৰ নাম আৰু ঠিকনা উল্লেখ নকৰিবা) ৫

**অথবা**

শ্ৰেণীত উপস্থিত থাকিব নোৱাৰাৰ বাবে তোমাৰ বিদ্যালয়ৰ প্ৰধান শিক্ষকলৈ এখন আবেদন পত্ৰ লিখা। (তোমাৰ নাম আৰু ঠিকনা উল্লেখ নকৰিবা) ৫

১৪। তলৰ যি কোনো **এছোৱাৰ** ভাৱ-সম্প্ৰসাৰণ কৰা : ৫

(ক) অভ্যাসৰ নৰ কৰ্ণ পথে কৰে শৰ।

(খ) তুলসীৰ লগত কলপটুৱাৰো মুক্তি।

(গ) ৰাইজে নখ জোকাৰিলে নৈ বয়।

**অথবা**

অৰ্থ প্ৰকাশ পোৱাকৈ তলত দিয়া যি কোনো **পাঁচটা** খণ্ড-বাক্যৰে বাক্য-ৰচনা কৰা : ১×৫=৫

চুক ভেকুলী; জয়দেউ কাকুতি; আকাশত চাং পতা; অলপ পানীৰ মাছ; কাণ বাগৰা; টুপাই বুৰ মাৰ; বাপতি-সাহোন; হাতত সাৰে ভৰিত সাৰে; কপালৰ ঘাম মাটিত পেলা।

১৫। তলৰ যি কোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : ১০

(ক) মেঘালয়ৰ প্ৰাকৃতিক সম্পদ

(খ) তোমাৰ এটি ভ্ৰমণ কাহিনী

(গ) এগৰাকী মহান পুৰুষৰ জীৱনী

(ঘ) ছাত্ৰৰ কৰ্তব্য

## ( For Candidates without Internal Assessment )

১৬। তলৰ প্ৰশ্নকেইটাৰ চমু উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) ছাত্ৰ অৱস্থাত মনৰ গতি কেনেকুৱা হ'ব লাগে?

(খ) শিৱ আৰু শক্তি পূজাৰ মূল ক'ত আৱিষ্কাৰ হৈছিল?

(গ) ভাৰতীয় সংস্কৃতিৰ প্ৰাণ কি?

(ঘ) প্ৰাচীন কালৰে পৰা অসম দেশ কিহৰ বাবে প্ৰসিদ্ধ আছিল?

(ঙ) ড° কুলেন্দু পাঠকৰ জন্মস্থান ক'ত?

(চ) অসমত কোনে চাহ উদ্যোগ প্ৰতিষ্ঠা কৰে?

১৭। পাঠ্যপুথিত থকাৰ দৰে খালী ঠাই পূৰ কৰা (যি কোনো **চাৰিটা**) : ১×৪=৪

(ক) মক্কাৰ দুৱাৰত _____ জীৱই মাৰে তালি।

(খ) ভজো হেৰা মোৰ মন গুৰুৰে _____ ।

(গ) _____ বৰফস্তূপত যি মানুহে
মৈত্ৰী আৰু অহিংসাৰ
শলিতা জ্বলালে।

(ঘ) দ্বীপময় ভাৰত গঢ়িছে
_____ সাজিছে ওঙ্কাৰ ধাম।

(ঙ) তেওঁ _____ বিচাৰি ফুৰিছিল
নিজৰ ঘৰৰ পদূলি।

(চ) নেৰিবা _____ মোক জীৱনে মৰণে।

১৮। তাৎপৰ্য ব্যাখ্যা কৰা (যি কোনো **এটা**) : ৪

(ক) নতুন দিনৰ স্বপ্ন দুচকুত
ডেকা-গাভৰুৰ
দুবাহুত শক্তিৰ সঞ্চয়।

(খ) আতুৰ ভৈলাহো হৰি বিষয় বিকলে
কৰিয়ো উদ্ধাৰ মোক চৰণ কমলে।

**অথবা**

'দৃশ্যান্তৰ'ৰ কবিজনৰ নাম কি? তেখেতৰ এটি চমু পৰিচয় লিখা।

১৯। চমু টোকা লিখা (যি কোনো **এটা**) : ৩

(ক) জনাৰ্দন শইকীয়া

(খ) লেখক ভবেন্দ্ৰনাথ শইকীয়াৰ প্ৰথম ফটোখন

**অথবা**

'উদয়' নামৰ আলোচনীৰ বিষয়ে এটা চমু টোকা লিখা। ৩

২০। এটা শব্দত প্ৰকাশ কৰা (যি কোনো **পাঁচটা**) : ১×৫=৫

(ক) দুই মাহৰ মাজৰ দিন।

(খ) একে সময়তে হোৱা।

(গ) যাৰ ঘৰ বাৰী নাই।

(ঘ) যাৰ অন্ত নাই।

(ঙ) একেজন গুৰুৰে শিষ্য।

(চ) আনৰ ভাল দেখিব নোৱাৰা।

(ছ) যি ঠাই অতি ঠাণ্ডাও নহয়, গৰমো নহয়।

(জ) যি ঈশ্বৰক বিশ্বাস নকৰে।

★ ★ ★